**Pre-Final Examination-2022**

**H.S. 2nd Year**

**Sub- Adv. Assamese**

**Marks- 100** **Time- 3 hrs.**

1. চমু উত্তৰ দিয়া। 1x10=10

ক) শংকৰদেৱ কোন শতিকাৰ কবি?

খ) শুকমুনিয়ে কাৰ আগত বৰ্ষা বৰ্ণনা কৰিছে?

গ) 'বৰ্ষণ বৰ্ণন পাঠটি ক'ৰ পৰা লোৱা হৈছে?

ঘ) চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰথম কাব্য পুথিখনৰ নাম কি?

ঙ) 'অসম কেশৰী' কোন?

চ) কোনখন গ্ৰন্থৰ বাবে আম্বিকাগিৰী ৰায়চৌধুৰীয়ে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

ছ) কোনগৰাকী কবিৰ কমাৰফদীয়াত জন্ম হৈছিল?

জ) কমাৰফদীয়া গাঁওখন ক'ত অৱস্থিত?

ঝ) 'ইন্দ্ৰধনুৰ কবি' বুলি কাক জনা যায়।

ঞ) 'ময়াপী' শব্দৰ অৰ্থ কি?

2. উত্তৰ দিয়া। 2x10=20

ক) জ্যোতিপ্ৰসাদ আগৰৱালাৰ কথাছবি দুখনৰ নাম কি কি?

খ) সীতানাথ ব্ৰহ্মচোধুৰী কোন দুখন সাহিত্য সভাৰ অধিৱেশনৰ সভাপতি আছিল?

গ) 'মণ্ডল' আৰু 'মহি' শব্দ দুটাৰ অৰ্থ কি কি?

ঘ) শংকৰদেৱৰ দুখন নাটকৰ নাম লিখা।

ঙ) নাম-প্ৰসংগৰ গ্ৰন্থৰ ভিতৰত শংকৰদেৱৰ কোন দুখন গ্ৰন্থক ধৰা হয়?

চ) চন্দ্ৰকুমাৰ আগৰৱালাই কোন দুগৰাকী ব্যক্তিৰ সৈতে লগ লাগি 'জোনাকী' কাকত উলিয়ায়?

ছ) 'প্ৰতিমাখন সৰু, কিন্তু নিভাঁজ সোণৰ'- এনেদৰে কোনে কৈছে?

জ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাত কোন দুটা সুৰ শুনা যায়?

ঝ) জ্যোতিপ্ৰসাদ আগৰৱালাৰ দুখন নাটকৰ নাম লিখা।

ঞ) 'আবেগ' আৰু 'চকুলো'- এই দুখন কাৰ গ্ৰন্থ? কি বিষয়ক গ্ৰন্থ?

3. যিকোনো ৫টা প্ৰশ্নৰ উত্তৰ লিখা। 5x5=25

ক) চুটিগল্প কাক বোলে? চুটিগল্পৰ দুটা বৈশিষ্ট্য লিখা।

খ) উপন্যাস কাক বোলে? উপন্যাসৰ প্ৰধান উপাদানবোৰ কি কি?

গ) 'মাধৱদেৱ' শীৰ্ষক প্ৰবন্ধৰ জৰিয়তে মাধৱদেৱৰ জীৱন সম্পৰ্কে চমু কৈ লিখা।

ঘ) 'আমাৰ ছাৰ' গল্পটোৰ লেখক কোন? গল্পটোৰ আৰম্ভণিতে কাৰ বিয়াৰ কথা আছে? 'আমাৰ ছাৰ'ৰ প্ৰকৃত নাম কি?

ঙ) লক্ষ্মীনাথ বেজবৰুৱাই 'ব'হাগ বিহুৰ পৰম্পৰা' শীৰ্ষক প্ৰবন্ধত বিহুৰ বিষয়ে কি লিখিছে?

চ) 'আমাৰ ছাৰ' গল্পটোৰ আধাৰত ছাৰৰ চাৰিত্ৰিক দিশ বিশ্লেষণ কৰা।

4. যিকোনো ৩টা প্ৰশ্নৰ উত্তৰ লিখা। 10x3=30

ক) চুটিগল্প আৰু উপন্যাসৰ মাজত থকা পাৰ্থক্যবোৰ উল্লেখ কৰা।

খ) বিহুক যি জাতীয় উৎসৱ বুলি কোৱা হয়? তোমাৰ পাঠ্য-প্ৰবন্ধৰ সহায়ত আলোচনা কৰা।

গ) লক্ষ্মীনাথ বেজবৰুৱাৰ বিষয়ে চমুকৈ লিখা।

ঘ) জ্যোতিপ্ৰদাস আগৰৱালাৰ বিষয়ে চমুকৈ লিখা।

5. চমুটোকা লিখা। (যিকোনো ৩টা) 3x5=15

ক) উপমা খ) যমক গ) শ্লেষ ঘ) অনুপ্ৰাস

*****